**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-APR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

—————————————————

নিৰ্বাচন আয়োগে ৪ মে'ৰ ভোটগণনাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ভোটগণনা প্ৰক্ৰিয়া যাতে সুচাৰুৰূপে সম্পন্ন হয়, তাৰবাবে বিশেষ সতৰ্কতা অৱলম্বন কৰা হৈছে। ইয়াৰ অংশ হিচাপে আয়োগে অহা ২৫ এপ্ৰিলত ৰাজ্যৰ সকলো জিলা আয়ুক্ত, নিৰ্বাচনী বিষয়াক গুৱাহাটীলৈ তলব কৰিছে। সেইদিনা ভোটগণনাৰ সৈতে জড়িত প্ৰায় ২০০ গৰাকী বিষয়াক বিশেষ প্ৰশিক্ষণ দিয়া হ'ব। বিশেষকৈ ভোটগণনা প্ৰক্ৰিয়া কেনেদৰে পৰিচালনা কৰা হ'ব, কাউণ্টিং এজেণ্ট - সংবাদ মাধ্যমৰ সৈতে কিদৰে যোগাযোগ ৰক্ষা কৰা হ'ব, সেই বিষয়ে পুংখানুপুংখভাৱে বুজোৱা হ'ব। জিলা আয়ুক্তসকলে গুৱাহাটীত প্ৰশিক্ষণ লাভ কৰাৰ পাছত ৩০ এপ্ৰিলৰ পৰা নিজ নিজ জিলাত ভোটগণনাৰ কামত নিয়োজিত বিষয়া-কৰ্মচাৰীক প্ৰশিক্ষণ প্ৰদান কৰিব। ইপিনে, নিৰ্বাচন আয়োগে গুৱাহাটীৰ মণিপুৰ দেৱান ট্ৰেড চেণ্টাৰৰ ষ্ট্ৰং ৰূমত পানী সোমোৱা বুলি বাতৰি পৰিৱেশন কৰা কেইবাটাও প'ৰ্টেলৰ বিৰুদ্ধে চাইবাৰ থানাত এজাহাৰ দাখিল কৰিছে।

oooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালি নিশা বিজুলী-ঢেৰেকনিৰে অহা ধুমুহা-বৰষুণৰ ফলত ব্যাপক ক্ষতি হয়। জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই প্ৰকাশ কৰা তথ্য অনুসৰি বিগত ৩৬ ঘণ্টাত ৰাজ্যত ১৮ দশমিক ৭ মিলিমিটাৰ বৰষুণৰ হোৱাৰ লগতে প্ৰচণ্ড ধুমুহাত তিনিচুকীয়া, লখিমপুৰ, ডিব্ৰুগড়, হাইলাকান্দি, কাছাৰ, চিৰাং, ধুবুৰী, বঙাইগাঁও, শ্ৰীভূমি, কামৰূপ, দৰং, কোকৰাঝাৰ আৰু গোৱালপাৰাকে ধৰি মুঠ ১৩ খন জিলা ক্ষতিগ্ৰস্ত হয়। এই জিলাসমূহৰ ২৯টা ৰাজহ চক্ৰৰ ১৫৩ খন গাঁও আৰু ৪শ সহস্ৰাধিক লোক ধুমুহা-বৰষুণত প্ৰত্যক্ষভাৱে প্ৰভাৱিত হয়। এই সময়ছোৱাত ধুমুহাৰ ফলত এজন লোকৰ মৃত্যু হোৱাৰ বিপৰীতে আন দুজন লোক আহত হোৱাৰ বাতৰি আহিছে। ধুমুহাত ৫ সহস্ৰাধিক ঘৰ ক্ষতিগ্ৰস্ত হোৱাৰ লগতে পশুধনৰো মৃত্যু হৈছে। জিলা প্ৰশাসনসমূহে ক্ষতিগ্ৰস্ত অঞ্চলত পৰিস্থিতিৰ বুজ লোৱাৰ লগতে পুনৰুদ্ধাৰৰ কাম আৰম্ভ কৰিছে।

লখিমপুৰৰ নাওবৈচাৰ ভৰলুৱা গাঁৱত কালি নিশা বজ্ৰপাতত এগৰাকী মহিলাৰ মৃত্যু হোৱাৰ লগতে একেটা পৰিয়ালৰ আন দুগৰাকী আহত হয়। আহত দুজনক অতি সংকটজনক অৱস্থাত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। মৃত মহিলাগৰাকীৰ নাম ছামিনা বেগম আৰু আহত দুজন ক্ৰমে হানুফা বেগম আৰু ছাকিবা বেগম বুলি জানিব পৰা গৈছে।

গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত যোৱা নিশা হোৱা ধুমুহা বতাহে বিস্তৰ ক্ষতি কৰে। বিভিন্ন ঠাইত গছ বাগৰি পৰাত গোৱালপাৰা চহৰৰ লগতে আন কিছুমান অঞ্চলত বিদ্যুৎ সেৱা আৰু যাতায়াত ব্যাহত হৈ আছে। পশ্চিম গোৱালপাৰাৰ বিভিন্ন ঠাইতো ধুমুহা আৰু শিলাবৃষ্টিয়ে বিস্তৰ ক্ষতি কৰাৰ বাতৰি আহিছে। আমবাৰী, চুনাৰী, লক্ষীপুৰ সংযোগী মূল পথছোৱাত প্ৰকাণ্ড গছ বাগৰি যানবাহনৰ চলাচল বন্ধ হৈ পৰিছে।

oooooo

শিৱসাগৰ জিলাত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উদ্যোগত কালিৰে পৰা পশুধনৰ বাবে সপ্তম ছুবকা ৰোগ নিয়ন্ত্ৰণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। চলিত বছৰত জিলাখনৰ এক লাখ ৮০ হাজাৰ পশুধনক সামৰি এই কাৰ্যসূচী

লোৱা হৈছে। এইবাৰ প্ৰতিষেধক প্ৰদানৰ লগে লগে ভাৰত পশুধন এপত প্ৰতিষেধকৰ তথ্য আপলোড কৰিব লাগিব। পশুধন পঞ্জীয়নৰ ক্ষেত্ৰত গৰাকীৰ আধাৰকাৰ্ডৰ তথ্য দিয়াটো বাধ্যতামূলক কৰা হৈছে।

০০০০০০

আজি বিশ্ব ধৰিত্ৰী দিৱস। জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ, বনাঞ্চল ধবংস আৰু জৈৱ বৈচিত্ৰ্য ক্ষতিৰ দৰে পৰিৱেশৰ সৈতে জড়িত সমস্যাসমূহৰ জৰিয়তে সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে বিশ্ব ধৰিত্ৰী দিৱস পালন কৰি অহা হৈছে। ১৯৬৯ চনত ইউনেস্ক' সন্মিলনত গ্ৰহণ কৰা পৰামৰ্শ অনুসৰি ১৯৭০ চনৰ পৰা আজিৰ দিনটোতে এই দিৱস পালন কৰি অহা হৈছে। এইবেলি বিশ্ব ধৰিত্ৰী দিৱসৰ বিষয়বস্তু হৈছে— আমাৰ শক্তি, আমাৰ গ্ৰহ। নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰ কৰি ২০৩০ চনৰ ভিতৰত বিশ্বজুৰি স্বচ্ছ বিদুৎ উৎপাদন তিনিগুণ বৃদ্ধি কৰাৰ বাবে এইবাৰ গুৰুত্ব দিয়া হৈছে। এই দিৱস উদযাপনৰ ৫৬ বছৰ পূৰ্ণ হোৱা উপলক্ষে আজি বিশ্বৰ ১৯২ দেশৰ জনসাধাৰণে বিভিন্ন কাৰ্যসূচীত অংশ লৈছে। ৰাজ্যৰ বিভিন্ন জিলাত গছপুলি ৰোপণ, প্লাষ্টিক বৰ্জন অভিযান, বিদ্যালয়-মহাবিদ্যালয়ত সজাগতা সভা আৰু চাইকেল ৰেলীৰ আয়োজন কৰা হৈছে।

০০০০০০

পিপল ফৰ দা এথিকেল ট্ৰিটমেণ্ট অৰ এনিমেলছ চমুকৈ পেটা ইণ্ডিয়াৰ লেখ আবেদনৰ ভিত্তিত গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যত ম'হযুঁজ অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। লগতে পৰৱৰ্তী নিৰ্দেশ নহালৈকে এনে অনুষ্ঠানৰ আয়োজকসকলৰ বিৰুদ্ধে উচিত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰক নিৰ্দেশ দিছে। ন্যায়াধীশ অঞ্জনমণি কলিতাই যোৱা ৪ এপ্ৰিলত শুনানি গ্ৰহণ কৰা গোচৰৰ এই অন্তৰ্বৰ্তীকালীন আদেশ কালি প্ৰকাশ পায়। যোৱা জানুৱাৰী মাহত মাঘ বিহুৰ সময়ত ৰাজ্যৰ বিভিন্ন জিলাত বেআইনীভাৱে ম'হযুঁজ অনুষ্ঠিত কৰাৰ অভিযোগ তুলি পেটাই দাখিল কৰা আবেদনৰ শুনানিত আদালতে কয়, যে পশুৰ প্ৰতি নিষ্ঠুৰতা আইন ১৯৬০ৰ অধীনত ম'হযুঁজৰ অনুমতি নাই। উল্লেখযোগ্য যে ২০২৪ চনৰ ডিচেম্বৰত উচ্চ ন্যায়ালয়ে ম'হ আৰু বুলবুলি যুঁজৰ অনুমতি দিয়া ৰাজ্য চৰকাৰৰ নিৰ্দেশনাও খাৰিজ কৰিছিল।

০০০০০০

**সমাপ্ত**